# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১।	ভাৰতীয় মহাকাশচাৰী কেপ্তেইন সুভাংশু শুক্লা আৰু এগজিয়ম  ফ'ৰ অভিযানৰ আন তিনিগৰাকী মহাকাশচাৰীৰ ওভতনি যাত্ৰা আজি আৰম্ভ হ'ব।

২।	বিদেশ মন্ত্ৰী এছ্ জয়শংকৰে দুদিনীয়া চীন ভ্ৰমণৰ সময়ছোৱাত  ছাংহাই সহযোগিতা সংস্থা এচ চি অ'ৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব।

৩।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি ওড়িশাৰ ভূবনেশ্বৰ আৰু কটকলৈ যাব।

৪।	এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি পঞ্চম দিনা ভাৰতে কালি চাৰিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৫৮ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব।

*আৰু*

৫।	বিশ্বৰ শীৰ্ষ স্থানৰ খেলুৱৈ জেনিক ছিনাৰে কাৰ্লোছ আলকাৰাজক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে উইম্বলডনৰ পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰিছে।

০০০০০

ভাৰতীয় মহাকাশচাৰী কেপ্তেইন শুভাংশু শুক্লা আৰু Axiom-4 অভিযানৰ আন তিনিজন মহাকাশচাৰীৰ উভতনি যাত্ৰা আজি আৰম্ভ হ'ব। সামাজিক মাধ্যমৰ এটা পোষ্টত বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কয় যে, আজি বিয়লি চাৰে চাৰি বজাত আনডকিং প্ৰক্ৰিয়া আৰম্ভ হ'ব। ভাৰতীয় সময় অনুসৰি কাইলৈ বিয়লি ৩ বজাত মহাকাশচাৰীকেইজনে পৃথিৱীত ভৰি থ'ব। অৱতৰণৰ পিছত গ্ৰুপ কেপ্তেইন শুক্লাই অন্যান্য সদস্যসকলৰ সৈতে পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ লগত পুনৰ খাপ খাব পৰাকৈ ৭ দিনীয়া বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব। উল্লেখযোগ্য যে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আন তিনিগৰাকী সদস্যৰ সৈতে ১৪ দিনীয়া অভিযানৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ গৈছিল। তেওঁ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমজন ভাৰতীয় আৰু ১৯৮৪ চনত মহাকাশলৈ যোৱা উইং কমাণ্ডাৰ ৰাকেশ শৰ্মাৰ পিছত দ্বিতীয়জন ভাৰতীয় মহাকাশচাৰী হিচাপে পৰিগণিত হয়। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত গ্ৰুপ কেপ্তেইন শুভাঞ্শু শুক্লাৰ পিতৃ শম্ভু দয়ালে কয় যে, মহাকাশচাৰীসকল সুকলমে পৃথিৱীলৈ প্ৰত্যাৱৰ্তনৰ বাবে পৰিয়ালবৰ্গই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে ।

০০০০০

বিদেশ মন্ত্ৰী এছ্ জয়শংকৰে দুদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা চীন ভ্ৰমণ কৰিব। তেওঁ কাইলৈ টিয়ানজিন চহৰত অনুষ্ঠিত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থা এচ চি অ'ৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। বিদেশমন্ত্ৰীসকলে বিভিন্ন খণ্ডত এচ চি অ'ৰ সহযোগিতাৰ লগতে আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত মত বিনিময় কৰিব। ভাৰত, চীন, ৰাছিয়া, কাজাখস্তান, কিৰ্গিস্তান, তাজিকিস্তান, পাকিস্তান আৰু বেলাৰুচ এই ১০ খন ৰাষ্ট্ৰক লৈ ছাংহাই সহযোগিতা সংস্থা গঠন হৈছে। বৰ্তমান চীন এই সংস্থাৰ অধ্যক্ষ ৰাষ্ট্ৰ আৰু দেশখনে বিদেশমন্ত্ৰীসকলৰ এই বৈঠক আহ্বান কৰিছে। ডঃ জয়শংকৰে এই বৈঠকৰ অৱসৰত দ্বিপাক্ষিক বৈঠকতো অংশগ্ৰহণ কৰিব। চীনৰ বিদেশ মন্ত্ৰী ৱাং য়িৰ সৈতেও ডঃ জয়শংকৰে বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। দুয়োগৰাকী নেতাই দেশ দুখনৰ দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰাৰ দিশত আলোচনা কৰাৰ লগতে উভয় দেশৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা সীমা বিবাদ সম্পৰ্কেও আলোচনা কৰিব। যোৱা বছৰ অক্টোবৰত লাডাখত চীনৰ অগ্ৰগতি সমাপ্ত কৰাৰ বিষয়ে সহমতত উপনীত হোৱাৰ পাছত দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰি তোলাৰ প্ৰয়াস অব্যাহত ৰাখিছে। পূব লাডাখত ২০২০ চনত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত চীনৰ সৈন্যৰ গতিৰোধ কৰাৰ পাছত দুয়োখন দেশৰ মাজৰ সম্বন্ধত সৃষ্টি হোৱা তিক্ততাৰ পাছত বিদেশ মন্ত্ৰী ডঃ জয়শংকৰৰ এয়া হ'ব প্ৰথম চীন ভ্ৰমণ।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি ওড়িশাৰ ভূবনেশ্বৰ আৰু কটকলৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে সন্ধিয়া বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ পিছত ভূবনেশ্বৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ পঞ্চম সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ ৰাৱেনশ্বো বিশ্ববিদ্যালয়ৰ ত্ৰয়োদশ সমাৱৰ্তনত অংশগ্ৰহণ কৰাৰ লগতে কটকৰ ৰাৱেনশ্বো বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ তিনিটা ভৱনৰ পুনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে আদি কবি সৰলা দাসৰ জয়ন্তী উদযাপনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে ২০২৪ বৰ্ষৰ কলিংগ ৰত্ন বঁটা প্ৰদান কৰিব।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা ৰসায়ন আৰু সাৰ মন্ত্ৰী জে পি নাড্ডাই তেওঁৰ তিনিদিনীয়া চৌদি আৰৱ ভ্ৰমণ সামৰি স্বদেশলৈ উভতি আহিছে। তেওঁৰ এই ভ্ৰমণৰ সময়ছোৱাত হোৱা চুক্তিসমূহৰ জৰিয়তে ভাৰতৰ সাৰ যোগান শৃংখলৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি হোৱাৰ লগতে স্বাস্থ্য আৰু ঔষধী খণ্ডত দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে। ১১ৰ পৰা ১৩ জুলাইলৈ ডাম্মা আৰু ৰিয়াধত কৰা তেওঁৰ ভ্ৰমণত ৰসায়ন আৰু সাৰ খণ্ডত ভাৰত আৰু চৌদি আৰৱৰ মাজত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছিল। সাৰ দপ্তৰ আৰু বিদেশ মন্ত্ৰালয়ৰ সচিব আৰু অন্যান্য জ্যেষ্ঠ বিষয়াবৰ্গৰে গঠিত এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দল নড্ডাৰ নেতৃত্বত চৌদি আৰৱলৈ গৈছিল। ছৌদি আৰৱৰ উদ্যোগ আৰু খনিজ সম্পদ দপ্তৰৰ মন্ত্ৰীৰ সৈতে ৰিয়াধত হোৱা আলোচনাত দুয়োগৰাকী মন্ত্ৰীয়ে মাদেন আৰু আই পি এল, ক্ৰিভকো, চি আই এলৰ দৰে ভাৰতীয় কোম্পানীসমূহৰ মাজত হোৱা দীৰ্ঘম্যাদী চুক্তিসমূহ স্বাক্ষৰ কৰে। এই চুক্তিসমূহৰ জৰিয়তে বছৰি ৩১ লাখ মেট্ৰিক টন দিয়াম'নিয়াম ফচফেট সাৰ ২০২৫-২৬ বৰ্ষৰ পৰা ৫ বছৰৰ কাৰণে যোগান ধৰা হ'ব। ইয়াৰ উপৰি পাৰস্পৰিক সন্মতিৰে পৰৱৰ্তী ৫ বছৰৰ বাবেও এই যোগান সম্প্ৰসাৰণ কৰাৰ সুবিধা থাকিব।

শ্ৰীনাড্ডাই লগতে শক্তিমন্ত্ৰী যুৱৰাজ আব্দুলাজিজ বিন ছলমান অল ছৌদৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ লগতে ভাৰত আৰু ছৌদি আৰবৰ মাজৰ কৌশলগত সহযোগিতা পৰিষদৰ অৰ্থনীতি আৰু বিনিয়োগ সমিতিৰ বৈঠকতো সহ অধ্যক্ষতা কৰে এই বৈঠকত উভয় ৰাষ্ট্ৰৰ মাজত অৰ্থনৈতিক অংশীদাৰিত্ব বৃদ্ধি সন্দৰ্ভত আলোচনা কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ ভ্ৰমণে ভাৰত আৰু ছৌদি আৰবৰ মাজত অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰি তোলাৰ লগতে বিশেষকৈ সাৰ খণ্ডত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে।

ooooo

ভাৰতীয় সেনা বাহিনীয়ে চলোৱা অভিযানত কালি নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ তিনিজন শীৰ্ষ স্থানীয় নেতাকে ধৰি ১৯ জন উগ্ৰপন্থী ম্যানমাৰত নিহত হয়। কালি পুৱতি নিশা ভাৰতীয় সেনা বাহিনীয়ে চলোৱা ড্ৰোণ আক্ৰমণত ম্যানমাৰৰ পূব অংশত থকা উগ্ৰপন্থী সংগঠনটোৰ মুখ্য কাৰ্যালয়সমূহক লক্ষ্য কৰা হৈছিল বুলি নিষিদ্ধ ঘোষিত সংগঠনটোৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই প্ৰকাশ কৰিছে। সংগঠনটোৱে জাৰি কৰা এখন বিবৃতিত আন ১৯ গৰাকী সদস্য আহত হৈছে বুলি উল্লেখ কৰা হৈছে। এই অভিযানত স্বঘোষিত লেফটেনেণ্ট জেনেৰেল নয়ন মেধি ওৰফে নয়ন অসমৰ মৃত্যু হৈছে বুলি বিবৃটোত লগতে প্ৰকাশ কৰা হৈছে। শেহতীয়াকৈ কৰা আক্ৰমণত ব্ৰিগেডিয়েৰ গণেশ অসম আৰু কৰ্ণেল প্ৰদীপ অসমৰ মৃত্যু হৈছে বুলি উগ্ৰপন্থী সংগঠনটোৱে দাবী কৰিছে। অৱশ্যে ভাৰতীয় সেনা বাহিনীয়ে এনে ধৰণৰ কোনো অভিযান চলোৱাৰ কথা নুই কৰিছে। প্ৰতিৰক্ষা বিভাগৰ জনসম্পৰ্কৰক্ষী বিষয়া কৰ্ণেল এম এছ ৰাৱটে গুৱাহাটীত ভাৰতীয় সেনা বাহিনীয়ে এই বিষয়ে অৱগত নহয় বুলি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো এই ঘটনাত ৰাজ্যিক আৰক্ষী জড়িত নহয় বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত অহা ১৭ জুলাইত ‘স্বচ্চতা সৰ্বেক্ষণ বঁটা' প্ৰদান কৰিব। নগৰীয়া পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত আগবঢ়োৱা অসাধাৰণ কৃতিত্বৰ বাবে মধ্যপ্ৰদেশৰ ৮খন চহৰে ৰাষ্ট্ৰীয় স্বীকৃতি লাভৰ দৌৰত নামিছে। স্বচ্ছ ভাৰত অভিযানৰ অংশস্বৰূপ এই বঁটাসমূহে অনাময় আৰু জনস্বাস্থ্যৰ প্ৰতি ব্যতিক্ৰমী দায়বদ্ধতা প্ৰদৰ্শন কৰা চহৰসমূহক উৎসাহিত কৰে। মধ্যপ্ৰদেশৰ ৰাজধানী ইন্দোৰে ছুপাৰ স্বচ্ছ লীগ শাখাত একেৰাহে অষ্টমবাৰৰ বাবে মনেনীত হৈছে। সৌন্দৰ্য্য আৰু সুশাসনৰ বাবে পৰিচিত ভূপালক দেশৰ শ্ৰেষ্ঠ ৰাজধানী চহৰৰ শাখাত মনোনীত কৰা হৈছে। তিনিৰ পৰা দহ লাখৰ ভিতৰত জনসংখ্যা থকা চহৰৰ বাবে উজ্জয়িনক মনোনীত কৰাৰ বিপৰীতে ২০ হাজাৰতকৈ কম বাসিন্দা থকা চহৰ শাখাত স বুধনি নগৰক মনোনীত কৰা হৈছে। ৰাজ্যখনৰ স্বচ্ছতাৰ প্ৰতি দায়বদ্ধতাৰে দায়িত্ব পালন কৰা গোলালিয়ৰ, দেৱাছ, শ্বাহগঞ্জ, আৰু জবলপুৰকে ধৰি অন্যান্য চহৰসমূহক বিভিন্ন শ্ৰেণীৰ অধীনত মনোনীত কৰা হৈছে। বঁটা প্ৰদান অনুষ্ঠানৰ প্ৰাকক্ষণত ফলাফলসমূহ ঘোষণা কৰা হ'ব।

ooooo

দেশত যোৱা ১০ বছৰত মুঠ প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ ২৭৪ শতাংশ বৃদ্ধি পাইছে। বিত্ত মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, ২০১৩-১৪ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষৰ সময়ছোৱাত কৰ বিভাগে ধন ঘূৰাই দিয়াৰ পৰিমাণ ৪৭৪ শতাংশ বৃদ্ধি পাইছে আৰু কৰদাতাৰ হাৰ ১৩৩ শতাংশ বৃদ্ধি পাইছে। কৰৰ ধন ঘূৰাই দিয়াৰ গড় সময় ২০১৩ চনৰ ৯৩ দিনৰ পৰা হ্ৰাস পাই ২০২৪ চনত মাত্ৰ ১৭ দিন হৈছেগৈ। যোৱা দশকত কৰ প্ৰশাসনৰ ক্ষেত্ৰত ডিজিটেল আন্তঃগাঁথনি গ্ৰহণ কৰা, অনলাইন প্ৰক্ৰিয়াৰে আয়কৰ ৰিটাৰ্ণ দাখিল আদি ব্যৱস্থাৰ ফলত এই পৰিৱৰ্তন সম্ভৱ হৈছে।

০০০০০

লৰ্ডছত চলি থকা এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি পঞ্চম দিনা ভাৰতে কালি চাৰিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৫৮ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। কালি খেল সামৰাৰ পৰলৈকে কে এল ৰাহুলে ৩৩ ৰান কৰি খেলি আছিল। লৰ্ডছ্ টেষ্ট জয়ৰ বাবে ভাৰতক সম্প্ৰতি ১৩৫ ৰানৰ প্ৰয়োজন। চতুৰ্থ দিনৰ  শেষৰটো বলত কালি ইংলেণ্ডৰ অধিনায়ক বেন ষ্টকছে আকাশদ্বীপক কেৱল ১ ৰানতে আউট কৰে। ইয়াৰ পূৰ্বে ঘৰুৱা দল ইংলেণ্ডে নিজৰ দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৯২ ৰান কৰে। ভাৰতৰ হৈ ৱাশ্বিংটন সুন্দৰে ৪টা, মহম্মদ ছিৰাজ আৰু যশপ্ৰীত বুমৰাই দুটাকৈ  উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে ইনিংছ্ আৰম্ভ কৰিয়েই  জোফ্ৰা আৰ্ছাৰৰ বলত য়শস্বী জয়ছোৱালৰ উইকেট হেৰুৱাই বিপৰ্যয়ৰ সন্মুখীন হয়। ইপিনে, অধিনায়ক শুভমন গিল আৰু কৰুণ নায়াৰ ব্ৰাইডন কাৰ্চৰ বলত আউট হৈ পেভিলিয়নলৈ উভতে।

০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত কালি নিশা বিশ্বৰ শীৰ্ষ স্থানৰ খেলুৱৈ জেনিক ছিনাৰে প্ৰথমবাৰৰ বাবে পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰে। লণ্ডনৰ অল ইংলেণ্ড ক্লাবত অনুষ্ঠিত ফাইনেলত যোৱাবাৰৰ বিজয়ী কাৰ্লোছ আলকাৰাজক ৪-৬, ৬-৪, ৬-৪, ৬-৪ চেটত পৰাস্ত কৰে। প্ৰতিযোগিতাখনৰ ১৪৮ বছৰীয়া ইতিহাসত জেনিক ছিনাৰ উইম্বলডন জয় কৰা ইটালীৰ প্ৰথমজন খেলুৱৈ হিচাপে পৰিগণিত হয়। প্ৰথম চেটত পিছ পৰি ৰোৱা ছিনাৰে পৰৱৰ্তী প্ৰতি তিনি চেটত আলকাৰেজক পৰাস্ত কৰিছিল। এই জয়ৰ জৰিয়তে ছিনাৰে চতুৰ্থটো গ্ৰেণ্ড শ্লেম খিতাপ জয় কৰে।

০০০০০

**সমাপ্ত**